# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ১১ ফেব্ৰুৱাৰী তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**তবুকৰ যুদ্ধৰ প্ৰাকক্ষণত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে নিজৰ সমস্ত ধনমাল,যাৰ মূল্য আছিল চাৰি হাজাৰ দেৰহাম,আঁ-হজৰত (ছাঃ)ৰ খিদমতত আগবঢ়াই দিছিল**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ স্বয়ং গুণাৱলীৰ স্মৃতিচাৰণ মূলক বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইতিহাসত মক্কা বিজয় সম্পৰ্কে হজৰত আবু বক্কৰ (ৰাঃ)ৰ এটা সপোনৰ বিৱৰণী উল্লেখ পোৱা যায়। তেখেত (ৰাঃ)য়ে সপোনত দেখিছিল যে মুছলমান সকলে গৈ মক্কাৰ ওচৰ চপাৰ লগে লগে এটা মাইকী কুকুৰে ভূক-ভূকাই খেদি আহি এখেত সকলৰ কাষত পেট পেলাই আঠুৰ ওপৰত শুই পৰে আৰু তাইৰ ওহাৰৰ পৰা গাখীৰ বৈ আহে। ৰছুলুল্লাহ (ছাঃ)য়ে সপোনৰ তাবিৰ (ব্যাখ্যা) বৰ্ণনা কৰিছে যে তেখেত সকলৰ বিপদ আঁতৰি গৈছে আৰু লাভালাভ ওচৰ চাপি আহিছে। সিহঁতে তোমালোকৰ আত্মীয় স্বজন হোৱাৰ দোহাই দি তোমালোকৰ আশ্ৰয়ত আহিব; আৰু তোমালোকেও সিহঁতৰ কিছুমানৰ সৈতে সম্পৰ্ক গঢ়োতা হবা।

মক্কা বিজয়ৰ প্ৰাক মুহূৰ্তত যেতিয়া আবু চুফিয়ানে মৰাল জেহেৰাণ নামক স্থানত আহি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত উপস্থিত হয় তেতিয়া আঁ-হজৰত (ছাঃ)য়ে হজৰত আববাছ (ৰাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰামৰ্শ মতে আবু চুফিয়ানক সেই ৰাতিটোৰ বাবে তাতে ৰাখি দিছিল যাতে তেওঁ মুছলমান সকলৰ বাহিনী দেখিবলৈ পায়। ৰাতিপুৱা আবু চুফিয়ানে ৰছুলুল্লাহ (ছাঃ)ৰ সেউজ পোছাক পৰিহিত ফৌজৰ বাহিনী দেখিবলৈ পায়; য'ত মুহাজেৰিণ আৰু আনছাৰৰ দুটা দলে পতাকা উৰুৱাই অংশ গ্ৰহণ কৰিছিল। তাৰে এহেজাৰ আনছাৰে লোৰ কবচ পিন্ধা আছিল। ৰছুলে খোদা (ছাঃ)য়ে নিজৰ পতাকা হজৰত ছাআদ বিন উবেয়দা (ৰাঃ)ৰ হাতত গতাই দিছিল আৰু তেখেত (ৰাঃ)য়ে সৈন্য বাহিনীৰ আগে ৰাওনা হৈছিল। হজৰত ছাআদ বিন উবেয়দা (ৰাঃ)য়ে যেতিয়া আবু চুফিয়ানৰ কাষেদি পাৰ হৈ গৈ আছিল তেতিয়া তাক প্ৰতিবন্দ্বিতা কৰিবলৈ আহ্বান কৰিছিল। তেতিয়া আবু

চুফিয়ানে হজৰত আববাছ (ৰাঃ)ক কৈছিল- হে আববাছ ! আজি মোৰ নিৰাপত্তাৰ দায়িত্ব তোমাৰ ওপৰত। ইয়াৰ পিছত বিভিন্ন কবিলাৰ লোক তাৰ কাষেদি পাৰ হৈ যোৱাৰ শেষত ৰছুলুল্লাহ (ছাঃ)য়ে তাত গৈ উপস্থিত হয়; তেখেত (ছাঃ)য়ে নিজৰ উটনী কছুৱাৰ ওপৰত আৰোহণ কৰি গৈছিল আৰু তেখেত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত আছিদ বিন হজিৰ (ৰাঃ)ৰ মাজত থাকি এখেত দুজনৰ সৈতে কথা পাতি পাতি গৈ আছিল। তেতিয়া হজৰত আববাছ (ৰাঃ)য়ে আবু চুফিয়ানক কৈছিল- চোৱা ! সেইজন হ'ল ৰছুলুল্লাহ (ছাঃ)।

যেতিয়া আঁ-হজৰত (ছাঃ)য়ে মক্কাত গৈ প্ৰৱেশ কৰিছিল তেতিয়া দেখিবলৈ পায় যে মহিলা সকলে নিজৰ ওৰণিৰে ঘোঁৰাৰ মূখত কোবাই কোবাই ঘোঁৰা বিলাক পিছুৱাই লৈ গৈ আছে। হুজুৰ (ছাঃ)য়ে দৃশ্য দেখা পাই হজৰত আবু বক্কৰ (ৰাঃ)ক কয় যে হাচান বিন ছাবিত মনত আছেনে কি কৈছিল ? তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে হাচান বিন ছাবিতৰ সেই কবিতা ফাঁকি পঢ়ি শুনাইছিল। যি কবিতা শাৰীত এক আতংকময় সৈন্য বাহিনী কাদাআহৰ বাটত প্ৰৱেশ কৰাৰ এনে ধৰণৰ এটা দৃশ্যই ৰচনা কৰিছিল। তেখেত (ছাঃ)য়ে নিৰ্দেশ দিছিল যে হাচান বিন ছাবিতে বৰ্ণনা কৰা মতেই তোমালোকে প্ৰৱেশ কৰা। কাদাআ আৰাফাতৰে আন এটা নাম।

মক্কা বিজয়ৰ সময়ত আঁ-হজৰত (ছাঃ)য়ে মক্কাবাসীলৈ নিৰাপত্তা দিয়াৰ ঘোষণা কৰে তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে আৰজ কৰিছিল যে আবু চুফিয়ানে নিজৰ সন্মান অটুট ৰখাটো বৰ ভাল পায়। গতিকে হুজুৰ (ছাঃ)য়ে কৈছিল যে যিসকলে আবু চুফিয়ানৰ ঘৰত প্ৰৱেশ কৰিব সিহঁতক নিৰাপত্তা প্ৰদান কৰা হ'ব। যেতিয়া আঁ-হজৰত (ছাঃ)ৰ আদেশ অনুযায়ী হুবল দেৱতাৰ মূৰ্তি ভাঙি পেলোৱা হয় তেতিয়া জুবেৰ বিন আওৱাম (ৰাঃ)য়ে আবু চুফিয়ানক মনত পেলাই দিছিল যে উহুদৰ দিনা তেওঁ এই দেৱ মূৰ্তিৰ বিষয়ে বৰ অহংকাৰৰ সৈতে ঘোষণা কৰিছিল যে এই সাধাৰণ মূৰ্তি এটায় তোমাক পুৰস্কৃত কৰিছে। তেতিয়া আবু চুফিয়ানে কৈছিল- এতিয়া আৰু সেইবোৰ কথা যাবলৈ দিয়া; মই গম পাই গৈছো যে মহম্মদ (ছাঃ)ৰ খোদাৰ বাহিৰে যদি কোনো খোদা থাকিলেহেঁতেন তেন্তে আজি যিবোৰ হৈ আছে এয়া নহ'লহেঁতেন।

হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মক্কা বিজয়ৰ দিনাখন ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া আহি বহিছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে তৰোৱাল হাতেৰে নিৰাপত্তাৰ বাবে তেখেত (ছাঃ)ৰ মূৰৰ কাষত থিয় হৈ আছিল।

মক্কা বিজয়ৰ পিছত চন আঠ হিজৰীত হুনায়েনৰ যুদ্ধ সংগঠিত হয়; এই যুদ্ধক হাওয়াজিনৰ যুদ্ধ আৰু আওতাছৰ যুদ্ধ বুলিও কোৱা হয়। হুনায়েন মক্কা আৰু তায়েফৰ মাজত; মক্কাৰ পৰা প্ৰায় ত্ৰিছ কি:মি: আঁতৰত অৱস্থিত এখন ঘাটি। মুছলমান সকলে মক্কা বিজয় কৰি লোৱাৰ খবৰ পাই মালিক বিন অউফ নাছৰিয়েৰ নেতৃত্বত আৰবৰ বিভিন্ন কবিলা বিলাক একেলগ হৈ এটা ডাঙৰ সৈন্য বাহিনী মুছলমান সকলৰ বিৰুদ্ধে সাজু কৰি তুলে। ইফালে আঁ-হজৰত (ছাঃ)য়ে বাৰ হাজাৰ মুছলমানৰ এটা বাহিনী লৈ হুনায়েনলৈ যাত্ৰা কৰে আৰু নিচেই পুৱাতে গৈ হুনায়েনত উপস্থিত হয়। মুশৰিকৰ সৈন্যদল আগৰে পৰাই তাতে থকা ঘাটিত লুকাই যুদ্ধৰ বাবে প্ৰস্তুত হৈ আছিল। সিহঁতে হঠাৎ কৰি মুছলমান সকলৰ ওপৰত তীব্ৰ আক্ৰমণ চলোৱাত মুছলমান সকলে টিকিব নোৱাৰি ছেদেলি-ভেদেলি হৈ পৰে। ৰিৱায়তত উল্লেখ আছে যে মাত্ৰ কেইজনমান চাহাবা আঁ-হজৰত (ছাঃ)ৰ ওচৰত ৰৈ আছিল।

হজৰত মুচেলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হুনায়েনৰ যুদ্ধ ময়দানত এনেকুৱা এটা সময় উপস্থিত হৈছিল যে ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত মাত্ৰ বাৰজন চাহাবী ৰৈ আছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে আতংকিত হৈ আঁ-

হজৰত মহম্মদ (ছাঃ)ৰ বাহনৰ লেকাম ধৰি কৈছিল- ইয়া ৰছুলুল্লাহ (ছাঃ) ! এয়া আগবাঢ়ি যোৱাৰ সময় নহয়; কিন্তু তেখেত (ছাঃ)য়ে বৰ বীৰদৰ্পে কৈছিল- মোৰ বাহনৰ লেকাম এৰি দিয়া, যাৰ নিৰাপত্তাৰ চিৰস্থায়ী প্ৰতিশ্ৰুতি আছে; মই মিছলীয়া নহওঁ; গতিকে তোমালোকে তিনি হাজাৰ ধৰ্নুধৰ হোৱা বা ত্ৰিছ হাজাৰ; মই একো ভ্ৰূক্ষেপ নকৰো।

ৰছুলুল্লাহ (ছাঃ)ৰ নিৰ্দেশ অনুযায়ী হজৰত আববাছ (ৰাঃ)য়ে মুছলমান সকলক উচ্চস্বৰে মাত দিয়ে যে হে ছুৰা বাকাৰাৰ চাহাবীসকল ! খোদা তা'লাৰ ৰছুলে তোমালোকক মাতি আছে। এজন চাহাবীয়ে কৈছে যে নতুন মুছলমান সকলৰ ভীৰুতাৰ কাৰণে আমাৰ আৰোহী উট ঘোঁৰা বিলাক ইফালে-সিফালে দৌৰিবলৈ আৰম্ভ কৰিছিল। কিন্তু যেতিয়া হজৰত আববাছ (ৰাঃ)ৰ মাত মোৰ কাণত পৰে তেতিয়া মোৰ ধাৰণা হৈছিল, মই যেনিবা জীয়াই থকা নাই মই মৃত; আৰু ইছৰাফিলৰ শিঙাৰ ফোক বতাহত ভাহি আছে। মই মোৰ বাহন ঘূৰাই ল'ব বিচাৰিছিলো কিন্তু সি কোনো মতেই আয়ত্বাধীন হোৱা নাছিল। তেতিয়া মই আৰু মোৰ কেইজনমান লগৰীয়ায় উটৰ পৰা জপিয়াই নামিছিলো আৰু কিছুমানে আৰোহণ কৰি থকা উটৰ ডিঙি কাটি পেলাইছিল আৰু সকলোৱে ৰছুলুল্লাহ (ছাঃ)ৰ পিনে দৌৰিবলৈ আৰম্ভ কৰিছিল।

হজৰত আবু কাতাদাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হুনায়েনৰ যুদ্ধৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যিজনে কোনো মৃতকৰ সম্পৰ্কে প্ৰমাণ দিব পাৰিব যে তেওঁ সেই মৃতকক নিহত কৰিছে তেন্তে সেই মৃতকজনৰ সা-সামগ্ৰী তাক নিহত কৰা জনৰ হৈ যাব। তেতিয়া মই নিহত কৰা এজন ব্যক্তিৰ সম্পৰ্কে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত বৰ্ণনা কৰিলোঁ। আঁ-হজৰত (ছাঃ)ৰ ওচৰত বহি থকা এজন ব্যক্তিয়ে লগে লগে কয় যে সেই নিহত হোৱা ব্যক্তিজনৰ হাতিয়াৰ (তৰোৱাল) মোৰ ওচৰত আছে। হুজুৰ (ছাঃ) আপুনি এনে কৰক যে যি বস্তু মোৰ ওচৰত আছে সেয়া মোকেই দিয়ক আৰু তেখেতক বেলেগ কিবা দি দিয়ক। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেতিয়া তাতেই বহি আছিল। তেখেত (ৰাঃ)য়ে লগে লগে কৈ উঠে যে তেনেকুৱা কেতিয়াও হ'ব নোৱাৰে। আপুনি (হুজুৰ ছাঃ) কুৰাইছৰ এজন ভয়াতুৰক বস্তু (সামগ্ৰী) দি দিব আৰু আল্লাহৰ হিংস সকলৰ মাজত এজন হিংসক খালি হাত এৰিব; যিজনে খোদা আৰু তাৰ ৰছুলৰ হৈ ৰণ কৰি আছে। হজৰত আবু কাতাদাহ (ৰাঃ)য়ে কৈছে যে তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে থিয় হৈ সেই সামগ্ৰীবোৰ মোক দি দিছিল।

আঠ হিজৰী চনৰ শ্বোৱাল মাহত তায়েফৰ যুদ্ধ সংগঠিত হৈছিল। তেখেত (ছাঃ)য়ে গৈ তায়েফৰ বাসিন্দা সকলক অৱৰোধ কৰি ৰাখে। বিভিন্ন ৰিৱায়ত অনুযায়ী এই অৱৰোধৰ সময় দহ ৰাতিৰ পৰা চল্লিছ ৰাতিলৈকে দীঘলীয়া হোৱা বুলি দেখিছিল; আঁ-হজৰত (ছাঃ)য়ে সেই মুহূৰ্তত এটা সপোন দেখিছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেই সপোনৰ যি অৰ্থ উলিয়াইছিল ৰছুলুল্লাহ (ছাঃ)ৰও সেই একেই ধাৰণা আছিল।

চন ন হিজৰীৰ ৰজব মাহত তবুকৰ যুদ্ধ সংগঠিত হৈছিল। এই যুদ্ধৰ উদ্দেশ্য হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ সমস্ত ধন-সম্পদ যাৰ মূল্য আছিল চাৰি হেজাৰ দেৰহাম, আঁ-হজৰত (ছাঃ)ৰ খিদমতত আগ বঢ়াই দিছিল। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক প্ৰশ্ন কৰিছিল যে নিজৰ পৰিয়ালৰ বাবে কিবা ৰাখি থৈ আনিছানে ? এয়া শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে জনায় যে পৰিয়ালৰ বাবে ঘৰত আল্লাহ আৰু তাৰ ৰছুলৰ নাম এৰি থৈ আহিছো। জায়েদ বিন আছলম নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে তেখেতে হজৰত উমৰ (ৰাঃ)ক এয়া কওঁতে শুনিছে যে মই মোৰ সম্পদৰ অৰ্ধাংশ লৈ আনি ভাৱিছিলো যে যদি মই আবু বক্কৰতকৈ আগত যাব পাৰো তেন্তে সেই দিনটোৱে হ'ব আজিৰ দিন। কিন্তু যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাৰ গোটেই সম্পদ

লৈ আনি দিয়ে তেতিয়া মই কৈছিলো যে আল্লাহৰ শপত ! মই আবু বক্কৰতকৈ কোনো ক্ষেত্ৰেই কেতিয়াও আগত যাব নোৱাৰো।

হজৰত মছীহ মাওউদ (আঃ)য়ে এই ঘটনা বৰ্ণনা কৰি বয়াত কৰোঁতা সকলৰ বিষয়ে কয় যে এফালে আছে সেই লোক সকল ! যিসকলে অনাসায়ে বয়াত কৰে আৰু স্বীকাৰও কৰে যে ধৰ্মক আমি পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিম কিন্তু সহায় আৰু দানৰ বিষয় আহিলে নিজৰ পকেট সাৱধানেৰে হেচি ধৰি বহি থাকে। এনেকুৱা প্ৰেমে জাগতিকতা এৰি দ্বীনি উদ্দেশ্য সাধন কৰিব পাৰিবনে ? আৰু এনেকুৱা লোকৰ ব্যক্তিত্বত কোনো লাভালাভ যুক্ত হ'বনে ? কেতিয়াও নহয়। ইয়াৰ পিছত তেখেত (আঃ)য়ে আৰু কয় আল্লাহ তা'লা কৈছে যে যেতিয়ালৈকে সম্পদ তোমালোকৰ প্ৰিয় হৈ থাকিব আৰু সেয়া খৰচ নকৰিবা তেতিয়ালৈকে তোমালোকে কোনো নেকি অৰ্জন কৰিব নোৱাৰা।

হজৰত আব্দুল্লা বিন মাছুদ (ৰাঃ)য়ে কৈছে যে তবুকত এদিন ৰাতি মই ৰছুলুল্লাহ (ছাঃ), হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ক দেখা পালো যে এখেত তিনিজনে হজৰত আব্দুল্লাহ জুলবাজাদিনক কবৰত দফন কৰি আছে। এয়া দেখি এখেত (ৰাঃ)য়ে কয় যে মই ভাৱিছিলো যে হায় ! এই কবৰওয়ালা যদি মই হলোহেঁতেন !

হুজুৰ (ছাঃ)য়ে ন হিজিৰিত তবুকৰ পৰা ওভতি হজ্বলৈ যোৱাৰ সিদ্ধান্ত লয়। কিন্তু যেতিয়া আঁহজৰত (ছাঃ)ক জনোৱা যায় যে হজ্বৰ সময়ত মুশৰিক সকলে শিৰিকযুক্ত শব্দ ব্যৱহাৰ কৰি নঙঠা হৈ তোয়াফ কৰে তেতিয়া আঁ-হজৰত (ছাঃ)য়ে সেই বছৰ হজ্বলৈ যোৱাৰ সিদ্ধান্ত বাতিল কৰি দিয়ে আৰু হজৰত আবু বক্কৰ (ৰাঃ)ক হজ্ব যাত্ৰীৰ আমিৰ নিযুক্ত কৰে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তিনিশ চাহাবাৰ সৈতে হজ্বলৈ বুলি যাত্ৰা কৰে। হুজুৰ (ছাঃ)য়ে বিশটা কোৰবাণীৰ জন্তু পঠাই দিয়ে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে যাত্ৰা কৰাৰ পিছত তেখেত (ছাঃ)ৰ ওপৰত ছুৰা তওবা অৱতীৰ্ণ হৈছিল। আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক মতাই আনি কয় যে ছুৰা তওবাৰ আৰম্ভণীত যি বৰ্ণনা কৰা হৈছে, সেয়া লৈ যোৱা আৰু কোৰবাণীৰ দিনা যেতিয়া মিনাত আহি লোক জমা হ'ব তেতিয়া তাত এয়া ঘোষণা কৰি দিবা যে জান্নাতত কোনো কাফিৰ প্ৰৱেশ নকৰে। এই বছৰৰ পিছত আৰু কোনো মুশৰিকক হজ্বলৈ যোৱাৰ অনুমতি দিয়া নহ'ব আৰু নে কাকো উলঙ্গ শৰীৰত বায়তুল্লাহ তোয়াফৰ অনুমতি দিয়া হ'ব। যাৰ সৈতে আঁ-হজৰত (ছাঃ)য়ে কোনো চুক্তি সম্পন্ন কৰিছে; সেই চুক্তিৰ সময় পূৰ্ণ কৰা হ'ব।

যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ৰ সৈতে হজৰত আলি (ৰাঃ)ৰ সাক্ষাৎ হয় তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ক সুধিছিল যে আপোনাক আমিৰ নিযুক্ত কৰা হৈছে নে আপুনি মোৰ পৰিচালনাত থাকিব। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়াই আছিল হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিনম্ৰতাৰ পৰিচায়ক। হজৰত আলি (ৰাঃ)য়ে উত্তৰ দিছিল যে মই আপোনাৰ পৰিচালনাত থাকিম। আন এটা ৰিৱায়ত অনুসৰি হজৰত আবু বক্কৰ (ৰাঃ)য়ে আৰফাৰ ময়দানত লোকলৈ ভাষণ প্ৰদান কৰে আৰু হজৰত আলি (ৰাঃ)ক ৰছুলুল্লাহ (ছাঃ)ৰ পৰা পয়গাম শুনাই দিবলৈ কয়। গতিকে হজৰত আলি (ৰাঃ)য়ে ছুৰা তওবাৰ চল্লিছ আয়াত পাঠ কৰি শুনায়।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগলৈ চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে মহতৰমা আমতুল লতিফ খুৰশিদ চাহিবা পত্নী শ্বেখ খুৰশ্বিদ আহমদ চাহাব মৰহুম (এছিচটেণ্ট এডিটৰ আলফজল ৰাবোৱা)ৰ চমু পৰিচয় দি নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমাৰ মৰ্যাদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 11 FEB 2022**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**